৩ পৃষ্ঠাত

৪ পৃষ্ঠাত

১০ পৃষ্ঠাত

অসম আদিত্য

আহিন, ১৯৪৮ শক ■ বৃহস্পতিবাৰ, ২৪ ছেপ্টেম্বৰ, ২০২৬ ■ Asom Aditya, Dibrugarh, Thursday, September 24, 2026 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটী

ত্যাগ কৰে। এগৰাকী অতি
থা সৰবৰহী সমাজকৰ্মী
পৰিচিত প্ৰভাত চন্দ্ৰ গগৈৰ
তৰি বিয়পি পৰাৰ লগে লগে
টাত শোকৰ ছাঁ পৰা
ত হয় আৰু টেঙাখাত আছুৰ
ধিৰ লগতে অনান্য দল-
ৰ প্ৰতিনিধি তথা
ক্ষীসকল বাসগৃহত উপস্থিত
শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰাৰ লগতে
ন্তপ্ত পৰিয়ালবৰ্গৰ প্ৰতি
া জ্ঞাপন কৰে। মৃত্যুৰ সময়ত
ত্নী, একমাত্ৰ পুত্ৰ আৰু দুই
াৰু বোৱাৰীৰ লগতে বহু
ক ইহসংসাৰত এৰি গৈছে।

ডিএইচএছকে কলেজত কেকেএইচএছঅ ইউৰ বিশেষ অনুষ্ঠান

ষ্টাফ ৰিপৰ্টাৰ, ২৩ ছেপ্টেম্বৰ ঃ অসমৰ একমাত্ৰ মুক্ত বিশ্ববিদ্যালয় কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে ২৫ ছেপ্টেম্বৰত ডি এইচ এছ কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্বদ্যালয়ৰ অধ্যয়ন কেন্দ্ৰৰ সহযোগত ডিব্ৰুগড়, তিনিচুকীয়া আৰু চৰাইদেউ জিলাৰ ছাত্ৰ-ছাত্ৰীসকলৰ উদ্দেশ্যে এক বিশেষ অনুষ্ঠানৰ আয়োজন কৰিছে। কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ বিভিন্ন অধ্যয়ন কেন্দ্ৰসমূহত ইতিমধ্যে দূৰ শিক্ষা ব্যৱস্থাৰ জৰিয়তে মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় পৰ্যায়ৰ বিভিন্ন অধ্যয়ন আঁচনিৰ অধীনত বহুতো শিক্ষাৰ্থীয়ে শিক্ষা গ্ৰহণ কৰাৰ সুযোগ লাভ কৰিছে। সমান্তৰালভাৱে এই ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন কাৰণত অথবা সময়ৰ অভাৱত তেওঁলোকৰ বিশ্ববিদ্যালয়ৰ তৰফৰ পৰা প্ৰদান কৰা মূল উত্তীৰ্ণৰ প্ৰমাণ-পত্ৰ গ্ৰহণ কৰিব পৰা নাই, সেয়েহে এনে ছাত্ৰ-ছাত্ৰীসকলক উপকৃত কৰিব পৰাকৈ কানৈ মহাবিদ্যালয়ৰ লালচান্দ কানৈ প্ৰেক্ষাগৃহত বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য, পঞ্জীয়ক আৰু আন প্ৰশাসনিক বিষয়াসকলৰ উপস্থিতিত মানপত্ৰ প্ৰদানৰ এক অনুষ্ঠান অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। কানৈ মহাবিদ্যালয়ৰ অধ্যয়ন কেন্দ্ৰৰ সমন্বয়ক ড০ বিৰাজ দত্তই জনোৱা মতে, এই তিনিখন জিলাৰ প্ৰায় দুই হাজাৰ ছাত্ৰ-ছাত্ৰীক মানপত্ৰ প্ৰদান কৰাৰ প্ৰস্তুতি ইতিমধ্যে সম্পন্ন হৈছে, সেয়েহে, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ সকলো শিক্ষাৰ্থীকে উক্ত অনুষ্ঠানত যোগদান কৰিবলৈ সমন্বয়কগৰাকীয়ে আহ্বান জনাইছে। সমন্বয়ক ড০ বিৰাজ দত্তই জনোৱা মতে, উক্ত অনুষ্ঠানৰ লগত সংগতি ৰাখি মহাবিদ্যালয়সমূহৰ কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ কেন্দ্ৰসমূহৰ পৰিচালনাৰ বিভিন্ন দিশসমূহ পৰ্যালোচনা কৰিবৰ বাবে আন এক অনুষ্ঠানৰো আয়োজন কৰা হৈছে কানৈ মহাবিদ্যালয়ৰ শ্ৰীমন্ত শংকৰদেৱ সভাকক্ষত।

ডিব্ৰুগড়ত পে

ডিব্ৰুগড়, ২৩ ছেপ্টেম্বৰ ঃ সমগ্ৰ দেশ
লগতে ডিব্ৰুগড়তো সম্প্ৰতি অ
উৎসাহ-উদ্দীপনাৰে চলি আছে নৱ
ৰাষ্ট্ৰীয় পোষণ মাহৰ ব্যাপক কাৰ্যসূচী
এই উপলক্ষে সমাজৰ মাতৃসকল আ
ভৱিষ্যৎ প্ৰজন্মৰ স্বাস্থ্যৰ সুৰক্ষা সুনিশ্চি
কৰাৰ লগতে ৰক্তহীনতা দূৰীকৰণ আ
পুষ্টিৰ প্ৰতি সজাগতা বৃদ্ধিৰ লক্ষ্যে
ডিব্ৰুগড় নগৰ সংহত শিশু উন্নয়ন প্ৰকল্প
উদ্যোগত এক অভিলাষী পদক্ষেপ গ্ৰহ
কৰা হৈছে। 'পুষ্টিকৰ আহাৰ, সুস্বাস্থ্য
আধাৰ' নৱম ৰাষ্ট্ৰীয় পোষণ মাহৰ এ
মূল বাৰ্তাক সাৰোগত কৰি ডিব্ৰুগড়
পল্টন বজাৰস্থিত দুৰ্গা মন্দিৰ প্ৰাংগণ